জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৬০/২০২০

# বিশিষ্ট সাহিত্যিক অৰুণ বৰগয়াৰীৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১৫ মে'ঃ** বিশিষ্ট সাহিত্যিক, বুদ্ধিজীৱী অৰুণ বৰগয়াৰীৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত অৰুণ বৰগয়াৰীয়ে ৰাজ্যখনৰ সাহিত্য জগতলৈ যি বলিষ্ঠ অৰিহণা আগবঢ়াই গৈছে সেয়া জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। বড়ো আৰু অসমীয়া ভাষাত সাহিত্য চৰ্চাৰ জৰিয়তে অসমৰ সাহিত্যৰ ক্ষেত্ৰখনলৈ তেখেতে অনন্য বৰঙণি আগবঢ়াই গৈছে। অসমৰ সাহিত্য ক্ষেত্ৰখনক শক্তিশালী কৰাৰ বাবেও তেওঁ দৃঢ়তাৰে প্ৰয়াস চলাই গৈছিল। ৰাজ্যখনৰ বিভিন্ন ভাষা-সাহিত্য আৰু কলা-সংস্কৃতিৰ সংবৰ্দ্ধনৰ বাবেও তেওঁ নিৰলসভাৱে কাম কৰি গৈছিল। তেখেতৰ বিয়োগ আমাৰ সাহিত্য তথা সমাজ জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত অৰুণ বৰগয়াৰীৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ / প্ৰঃকুঃবঃ**
**১৫/৫/২০২০**